**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই জিলাত তিনিটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেল পথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লয়। ইয়াৰ পাছত তেওঁ ডবকাত আন এটা কাৰ্যসূচীত উপস্থিত থাকে৷ মুখ্যমন্ত্ৰীয়ে হোজাইৰ সাগৰবস্তিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰে। বিশ্ববিদ্যালয়ৰ ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৫৭ কোটি ৩৪ লাখ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপাচাৰ্যৰ কাৰ্যালয়, প্ৰশাসনিক কাৰ্যালয়, ডিজিটেল শ্ৰেণীকোঠা, গৱেষণা আৰু গৱেষক কক্ষ, সন্মিলন কক্ষ, ফেকাল্টি কক্ষ, কম্পিউটাৰ লেব'ৰেটৰী, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীকোঠা আদি থকাৰ লগতে উদ্যানশস্য আদিৰো ব্যৱস্থা আছে।

০০০০

সমাগত বিটিচি নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিন। তামুলপুৰত পাঁচটা পৰিষদীয় সমষ্টিৰ একাংশ প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। দৰঙাজুলি, নাগ্ৰীজুলি আৰু চেৰফাং সমষ্টিৰ মনোনয়ন পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা হয়। গয়বাৰী আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত জমা কৰা হয়। দৰঙাজুলি সমষ্টিত তিনিগৰাকী প্ৰাৰ্থী বি পি এফৰ ইমানুৱেল মুছাহাৰী, ইউ পি পি এলৰ জলেন দৈমাৰী আৰু নিৰ্দলীয় মনোজ গয়াৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। নাগ্ৰীজুলি সমষ্টিত ৬গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে পাঁচগৰাকী নিৰ্দলীয় আৰু এগৰাকী ইউ পি পি এলৰ প্ৰাৰ্থী। গয়বাৰী সমষ্টিত বি পি এফৰ জিতেন মুছাহাৰী, ইউ পি পি এলৰ প্ৰমোদ বড়ো, কংগ্ৰেছৰ ৰুমী সিং মুছাহাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদীপ ৰাভা নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়েও আজি সমষ্টিটোত মনোনয়ন পত্ৰ জমা দিয়ে। চেৰফাং সমষ্টিত বি পি এফৰ গণেশ কছাৰী, ইউ পি পি এলৰ প্ৰদীপ নাৰ্জাৰী আৰু নাইবেন্দ্ৰ বড়ো নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে গোৰেশ্বৰ সমষ্টিত বি পি এফৰ মহেশ্বৰ বসুমতাৰী, চি পি আই এমৰ নিকুঞ্জ চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী ধৰণীধৰ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ পাঁচটা সমষ্টিত সৰ্বমুঠ ২০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

চিৰাঙৰ থুৰিবাৰী সমষ্টিত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

কোকৰাঝাৰত দেৰৰগাঁও সমষ্টিত বি পি এফৰ সভাপতি হাগ্রামা মহিলাৰীয়ে আজি মনোনয়ন পত্ৰ জমা কৰে। বি টি চিৰ মুখ্য কাৰ্যবাহী আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱেও আজি দোতমা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত শ্ৰীবড়োৰ সৈতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত আছিল। অনান্য ৰাজনৈতিক দলসমূহেও একেদৰে নিজৰ নিজৰ প্ৰাৰ্থীসকলৰ হৈ বি টি আৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আজি গুৱাহাটীত এখন কৰ্মশালা অনুষ্ঠিত হয়। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ।

০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ আই চি ইউ বেডৰ পৰা পৰি এটি শিশুৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত চিকিৎসকসহ ৭ জনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিত চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, এই ঘটনা সন্দৰ্ভত হাস্পতালখনৰ শিশু চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ অনুপমা ডেকা, সহযোগী অধ্যাপক ডাঃ দীপাংকৰ হাজৰিকাক নিলম্বনৰ লগতে বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে ষ্টাফ নাৰ্চ চন্দনা নাথ, পম্পী দেৱী আৰু আই চি ইউ টেকনিচিয়ান ঈশাশজ্যোতি তালুকদাৰকো নিলম্বনৰ নিৰ্দেশ দিয়া হৈছে। অনুৰূপধৰণে কৰ্তব্যৰ গাফিলতিৰ অভিযোগত স্নাতকোত্তৰ শ্ৰেণীৰ দুগৰাকী শিক্ষাৰ্থী ডাঃ ঋষিকেশ ঠাকুৰীয়া আৰু ডাঃ পূজাক চিকিৎসা মহাবিদ্যালয়খনৰ পৰা ছমাহৰ বাবে বহিস্কাৰ কৰা হৈছে বুলি ডাঃ চৌধুৰীয়ে জানিবলৈ দিয়ে।

ইপিনে নৱজাতকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্য আৰু অতিৰিক্ত অধীক্ষক ডাঃ প্ৰদীপ কুমাৰ দাসলৈ পত্ৰ প্ৰেৰণ কৰিছে। ৰাজ্য চৰকাৰৰ চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙে প্ৰেৰণ কৰা এই পত্ৰযোগে ভৱিষ্যতে যাতে এনে ধৰণৰ ঘটনা সংঘটিত নহয় তাৰ বাবে সতৰ্ক হৈ থাকিবলৈ হাস্পতাল কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। তদুপৰি সুৰক্ষা সম্পৰ্কীয় নীতি আৰু কাৰ্যবিধি কঠোৰভাৱে মানি চলিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ